পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭ Registered No.-768/97

# অসম ৰাজপত্ৰ

সত্যমেব জয়তে

# THE ASSAM GAZETTE

অসাধাৰণ

EXTRAORDINARY

প্ৰাপ্ত কৰ্তৃত্বৰ দ্বাৰা প্ৰকাশিত

PUBLISHED BY THE AUTHORITY

নং 594 দিশপুৰ, সোমবাৰ, 18 আগষ্ট, 2025, 27 শাওণ, 1947 (শক)

No. 594 Dispur, Monday, 18th August, 2025, 27th Sravana, 1947 (S. E.)

GOVERNMENT OF ASSAM

ORDERS BY THE GOVERNOR

POLITICAL (VIGILANCE CELL) DEPARTMENT

## NOTIFICATION

The 4th August, 2025

**No. E-514411/11.**- In modification of this Departments earlier Notification No. IMP.833/75/30 dated 19/11/75 and in exercise of the powers conferred by clause (u) of section 2 of the Bharatiya Nagarik Suraksha Sanhita, 2023, (Act No. 46 of 2023), the Governor of Assam is hereby pleased to declare that the Anti-Corruption Branch, under the Directorate of Vigilance and Anti-corruption, Assam, Guwahati shall be the Police Station and that it shall include within its jurisdictional limits, the areas throughout the State of Assam for the purpose of investigation of offences mentioned in the Schedule below.

Furthermore in exercise of the powers conferred under the proviso to section 17 of the Prevention of Corruption Act, 1988 (Act No. 49 of 1988) the Governor of Assam is hereby pleased to authorize all the officers, not below the rank of the Inspector of Police posted in the Directorate of Vigilance and Anti-Corruption, Assam to investigate the offences and any information relating to the commission of the offences mentioned in the Schedule whereof it is registered in any Police Station within the State of Assam, including the Vigilance and Anti-Corruption Police Station, Assam as mentioned above and such officer shall exercise the powers of an Officer-in-Charge of the Police Station where posted in so far as the investigation of the offences mentioned in Schedule are concerned.

| **SCHEDULE** | |
|---|---|
| The offences to be investigated shall be as given in the following, namely :- | |
| (a) | offences punishable under the Prevention of Corruption Act, 1988 (Act No.49 of 1988); |
| (b) | attempts, abetments and conspiracies in respect of Offences mentioned in items (a) above by whoever committed; |

| | |
|---|---|
| (c) | offences under sections 316 (5) and 318 (4) and Chapter XVIII of the Bharatiya Nyaya Sanhita, when they are committed, attempted or abetted by public servants, the employees of a local authority or a statutory corporation when such Offences adversely affect the interests of the State Government or the local authority or the statutory corporation, as the case may be . if so ordered by the State Government in individual cases; and |
| (d) | any other particular offence or class of Offences that may be specified by the State Government. |

This notification shall come into force with immediate effect.

**KIMNEI CHANGSAN,**
Secretary to the Government of Assam,
Political (Vigilance Cell) Department.

**অসম চৰকাৰ**

**ৰাজ্যপালৰ আদেশ মৰ্মে**

**ৰাজনৈতিক (সতৰ্কতা কোষ) বিভাগ**

**জনতা ভৱন, দিছপুৰ, গুৱাহাটী-৬**

**অধিসূচনা**

**দিনাংক ৪ আগষ্ট, ২০২৫**

নং. ই -৫১৪৪১১/১১.- এই বিভাগৰ পূৰ্বৰ অধিসূচনা নং আইএমপি ৮৩৩/ ৭৫/৩০ তাৰিখ ১৯/১১/৭৫ ৰ সাল-সলনি আৰু ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ২০২৩ (২০২৩ ৰ অধিনিয়ম নং ৪৬) ৰ ধাৰা ২ ৰ দফা (প) ৰ দ্বাৰা অৰ্পণ কৰা ক্ষমতাসমূহ প্ৰয়োগ কৰি, অসমৰ ৰাজ্যপালে ইয়াৰ দ্বাৰা ঘোষণা কৰে যে সতৰ্কতা আৰু দুৰ্নীতি নিবাৰণ সঞ্চালকালয়, অসম, গুৱাহাটী-ৰ অধীনস্থ দুৰ্নীতি নিবাৰণ শাখাটোৱেই পুলিচ থানা হ'ব আৰু যে এইখনে ইয়াৰ অধিকাৰ ক্ষেত্ৰৰ সীমাৰ অন্তৰ্গত, নিম্নলিখিত অনুসূচীত উল্লেখিত অপৰাধসমূহৰ অনুসন্ধানৰ উদ্দেশ্যে, সমগ্ৰ অসম ৰাজ্যৰ এলেকাসমূহক অন্তৰ্ভুক্ত কৰিব।

তদুপৰি, দুৰ্নীতি নিবাৰণ অধিনিয়ম ১৯৮৮, (১৯৮৮ ৰ অধিনিয়ম নং ৪৯) ৰ ধাৰা ১৭ ৰ উপ-বিধিৰ অধীনত অৰ্পণ কৰা ক্ষমতাসমূহ প্ৰয়োগ কৰি অসমৰ ৰাজ্যপালে ইয়াৰ দ্বাৰা সতৰ্কতা আৰু দুৰ্নীতি নিবাৰণ সঞ্চালকালয়ত নিযুক্ত আৰক্ষী পৰিদৰ্শকৰ পদমৰ্য্যাদাৰ তলৰ নোহোৱা সকলো বিষয়াক অনুসূচীত উল্লেখিত অপৰাধসমূহ আৰু অপৰাধসমূহৰ সংঘটনৰ সৈতে সম্পৰ্কিত কোনো তথ্যৰ সন্দৰ্ভত অনুসন্ধান কৰিবলৈ প্ৰাধিকৃত কৰিছে যিসমূহ ওপৰত উল্লেখ কৰা সতৰ্কতা আৰু দুৰ্নীতি নিবাৰণ পুলিচ থানা, অসমক অন্তৰ্ভুক্ত কৰি অসম ৰাজ্যৰ ভিতৰৰ যিকোনো থানাত পঞ্জীয়ন হৈছে আৰু তেনে বিষয়াই থানাৰ এগৰাকী ভাৰপ্ৰাপ্ত বিষয়াৰ ক্ষমতাসমূহ প্ৰয়োগ কৰিব য'ত তেখেত যত দূৰ পৰ্য্যন্ত অনুসূচীত উল্লেখিত অপৰাধসমূহৰ অনুসন্ধানৰ বাবে নিযুক্ত হৈছে।

| | |
|---|---|
| **অনুসূচী** | |
| অনুসন্ধান কৰিবলগীয়া অপৰাধসমূহ নিম্নলিখিত ধৰণৰ হ'ব, যথা :- | |
| (ক) | দুৰ্নীতি নিবাৰণ অধিনিয়ম ১৯৮৮, (১৯৮৮ ৰ অধিনিয়ম নং ৪৯) ৰ অধীনত দণ্ডনীয় অপৰাধসমূহ; |
| (খ) | ওপৰোক্ত পৰিচ্ছেদ (ক) ত উল্লেখিত অপৰাধসমূহৰ সন্দৰ্ভত প্ৰয়াস, অপপ্ৰৰেণা আৰু ষড়যন্ত্ৰ, যিয়েই সংঘটিত নকৰক; |
| (গ) | ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা ৩১৬(৫) আৰু ৩১৮(৪) আৰু অধ্যায় XVIII ৰ অধীনৰ অপৰাধসমূহ যেতিয়া সেইবোৰ লোকসেৱক, এক স্থানীয় প্ৰাধিকাৰী বা সংবিধিবদ্ধ নিগমৰ কৰ্মচাৰীয়ে সংঘটিত, প্ৰয়াস কৰে অথবা অপপ্ৰৰেণা দিয়ে, যেতিয়া তেনে অপৰাধসমূহে ৰাজ্য চৰকাৰ বা স্থানীয় প্ৰধিকাৰী বা সংবিধিবদ্ধ নিগম, যথাস্থিতি,ৰ স্বাৰ্থত বিৰূপ প্ৰভাৱ পেলায়, যদিহে ৰাজ্য চৰকাৰে ক্ষেত্ৰবিশেষে এনেদৰে আদেশ দিয়ে; আৰু |
| (ঘ) | ৰাজ্য চৰকাৰৰ দ্বাৰা বিনিৰ্দিষ্ট কৰিব পৰা অন্য কোনো বিশেষ অপৰাধ বা অপৰাধৰ শ্ৰেণী। |

এই অধিসূচনা তাৎক্ষণিকভাৱে বলবৎ হ'ব।

**কিমনেই চাংচন,**
সচিব, অসম চৰকাৰ,
ৰাজনৈতিক (সতৰ্কতা কোষ) বিভাগ।

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 1187 - 10 + 10 - 18 - 08 - 2025. (visit at– dpns.assam.gov.in)